ULB

# Assamese Unlocked Literal Bible

## কলচীয়া সকলৰ প্ৰতি পত্ৰ

### সংস্কৰণ 4

[as]

No warranties are given. The license may not give you all of the permissions necessary for your intended use. For example, other rights such as publicity, privacy, or moral rights may limit how you use the material.

# সুচিপত্ৰ

**কল** **5**
‘কলচীয়া পত্ৰ’ৰ পাতনি 5
5
Chapter 1 5
১ অধ্যায় 2 6
২ অধ্যায় 3 7
৩ অধ্যায় 4 8
**অবদানকাৰী** **10**
Assamese Unlocked Literal Bible অবদানকাৰী 10
Tischendorf Greek New Testament 8th edition অবদানকাৰী 10

# কল

## ‘কলচীয়া পত্ৰ’ৰ পাতনি

এই পত্ৰ পাঁচনি পৌলে কলচীৰ লোক সকলক উদ্দেশ্য কৰি লিখিছে (1:1)। যীচু খ্ৰীষ্টৰ জন্মৰ প্ৰায় 60 বছৰৰ পাছত, সম্ভৱতঃ ৰোম দেশৰ বন্দীশালত থকাৰ সময়ত তেওঁ এই পত্ৰ লিখিছিল। পৌলে বন্দীশালত থকা সময়ত লিখাৰ বাবে ‘ইফিচীয়া’ আৰু ‘ফিলিমন’ৰ সৈতে ‘কলচীয়া’ পত্ৰক লোক সকলে “বন্দীশালৰ পত্ৰ” বুলি কয়। পৌলে এই পত্ৰ কলচী নগৰৰ মণ্ডলীলৈ লিখিছিল। কলচীয়া 2:1 পদত তেওঁ উল্লেখ কৰা মতে, তেওঁ কলচীত মণ্ডলী আৰম্ভ কৰা নাছিল, কিন্তু তাৰ বাবে তেওঁ নিশ্চয়কৈ কিছু দ্বায়িত্ব অনুভৱ কৰিছিল। ইফ্ৰাথীয়া কলচীৰ পৰা হোৱা হেতুকে, তেওঁ মণ্ডলী স্থাপন কৰাটো সম্ভৱ হ’ল।

কলচীয়া মণ্ডলীত হোৱা কিছুমান ভুল শিক্ষাৰ বাবে পৌল চিন্তিত আছিল। তেওঁ এই বিষয়ে পত্ৰ লিখাৰ বাবে বহু সময় অতিবাহিত কৰিছিল। তাত কিছুমান ইহুদী খ্ৰীষ্টীয়ান দল আছিল, যিসকলে আন খ্ৰীষ্টীয়ান লোকসকলক পুৰনি নিয়মৰ ইহুদী বিধান, বিশেষকৈ চুন্নৎৰ বিষয়টো বাধ্যতামূলকভাৱে পালন কৰাবলৈ চেষ্টা কৰিছিল। ঈশ্বৰৰ গ্ৰহণ যোগ্য হ’বৰ বাবে খ্ৰীষ্টীয়ান লোকসকলক যীচু খ্ৰীষ্টৰ বাহিৰে আন একোৰেই যে, প্ৰয়োজন নাই; সেই বিষয়ে পৌলে বিশেষভাৱে এই পত্ৰত লিখিছে (1:15-20) আৰু মানুহৰ যুক্তিৰ ওপৰত ভিত্তি কৰি দিয়া শিক্ষাৰো কোনো মূল্য নাই বুলি কৈছে (2:8)।

চমু বিৱৰণঃ পৌলে কলচীয়া মণ্ডলীক শুভেচ্ছা জনায় পত্ৰ আৰম্ভ কৰিছিল (1:1-2)। তাৰ পাছত তেওঁ কলচীত হোৱা ভুল শিক্ষাৰ ওপৰত বিশেষভাৱে প্ৰতিক্ৰিয়া ব্যক্ত কৰি, খ্ৰীষ্টৰ মহিমাৰ বিষয়ে লিখিছে (1:3, 3:4)। পৌলে এই পত্ৰৰ আধা ভাগত বিশেষকৈ খ্ৰীষ্টীয় জীৱন যাপনৰ বিষয়ে নিৰ্দেশ দিয়াত সময় অতিবাহিত কৰিছে (3:5, 4:6)। পৌলে শুভেচ্ছা জনায়, আৰু আন মণ্ডলী সমূহত উচ্চস্বৰে পত্ৰ পঢ়িবলৈ নিৰ্দেশ দি এই পত্ৰ সমাপ্ত কৰিছে (4:7-18)।

## Chapter 1

### কলচীয়া সকলৰ প্ৰতি প্ৰেমৰ নমস্কাৰ

**1**মই পৌল, ঈশ্বৰৰ ইচ্ছাৰ দ্বাৰাই খ্ৰীষ্ট যীচুৰ পাঁচনি আৰু আমাৰ ভাই তীমথিয়, **2**কলচীত থকা খ্ৰীষ্টত বিশ্বাসী ভাই আৰু পবিত্ৰ লোক সকলৰ
সমীপলৈ। আমাৰ পিতৃ ঈশ্বৰৰ পৰা আপোনালোকলৈ অনুগ্ৰহ আৰু শান্তি হওক।

**3**আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ পিতৃ ঈশ্বৰক ধন্যবাদ জনায় আপোনালোকৰ কাৰণে সদায় আমি প্ৰাৰ্থনা কৰি আছোঁ।

**4**আমি শুনিবলৈ পালোঁ যে, খ্ৰীষ্ট যীচুত আপোনালোকৰ যি বিশ্বাস আৰু ঈশ্বৰৰ কাৰণে পৃথক কৰি ৰখা পবিত্ৰ লোক সকলৰ প্ৰতি যি প্ৰেম
আছে, **5**কিয়নো আপোনালোকৰ কাৰণেও আশা-ধনৰ বিষয় স্বৰ্গত সাঁচি থোৱা হৈছে। এই বিষয়ে সত্য বাক্য, শুভবাৰ্তাত আপোনালোকে প্ৰথমে
শুনিলে; **6**আৰু যিদিনা আপোনালোকে সত্যৰূপে ঈশ্বৰৰ অনুগ্ৰহৰ কথা শুনিলে আৰু জানিলে, সেই দিনাৰ পৰাই এই শুভবাৰ্তাই
আপোনালোকৰ মাজত যেনেকৈ ফল ধৰিছিল, তেনেকৈ গোটেই জগততে উপস্থিত হৈ ফল ধৰি বাঢ়ি আছে।

**7**সেইবোৰ আপোনালোকে আমাৰ প্ৰিয় সহদাস ইপাফ্ৰাৰ পৰাই শিকিলে; তেখেত আমাৰ কাৰণে খ্ৰীষ্টৰ বিশ্বাসী পৰিচাৰক; **8**আৰু পবিত্ৰ
আত্মাৰ যি প্ৰেম আপোনালোকৰ লগত আছে, সেই বিষয়ে তেখেতেই আমাক জনালে।

### খ্ৰীষ্টৰ মহিমা আৰু পৰিত্ৰাণ-সাধক কাৰ্য

**9**এই কাৰণে সেই কথা শুনা দিনৰে পৰা, আমি আপোনালোকৰ বাবে প্ৰাৰ্থনা কৰিবলৈ নেৰিলো, আপোনালোক সকলোৰে আত্মিক জ্ঞান আৰু
বুদ্ধিৰ সম্বন্ধে ঈশ্বৰৰ ইচ্ছা বিষয়ক তত্ত্ব-জ্ঞানেৰে পৰিপূৰ্ণ হওক। **10**আমি এনে ধৰণে প্ৰাৰ্থনা কৰি আছোঁ যাতে, সকলো ভাবে সন্তুষ্ট কৰিবৰ
অৰ্থে আপোনালোকে যেন প্ৰভুত যোগ্যৰূপে জীৱন-যাপন কৰে[1] আৰু তেওঁৰ সেই তত্ত্ব-জ্ঞানত বাঢ়ি সকলো সৎকৰ্ম্মত ফলৱন্ত হয়।

**11**আমি নিবেদন কৰোঁ যে, আপোনালোকে যেন সম্পূৰ্ণ সহন আৰু চিৰসহিষ্ণুতাৰ অৰ্থে, তেওঁৰ মহিমাৰ পৰাক্ৰম অনুসাৰে সকলো শক্তিৰে
শক্তিৱন্ত হয়। **12**আমি নিবেদন কৰোঁ আৰু আনন্দেৰে সৈতে তেওঁৰ ধন্যবাদ কৰোঁ, কাৰণ পিতৃয়ে আমাক পবিত্ৰ লোক সকলৰ যি অধিকাৰ
পোহৰত আছে, সেই অধিকাৰৰ[2] অংশীদাৰ হ’বলৈ যোগ্য কৰিলে।

13তেৱেঁই আমাক অন্ধকাৰৰ ক্ষমতাৰ পৰা উদ্ধাৰ কৰি নিজ প্ৰেমৰ পুত্ৰৰ ৰাজ্যত স্থানান্তৰ কৰি থ'লে। 14তেওঁৰ সেই পুত্ৰত আমাৰ মুক্তি, পাপৰ ক্ষমা আছে।

15সেই পুত্ৰ অদৃশ্য ঈশ্বৰৰ প্ৰতিমূৰ্তি[3] । তেওঁ গোটেই সৃষ্টিৰ প্ৰথমজাত; 16কিয়নো যি যি স্বৰ্গত আৰু এই জগতত, দৃশ্য আৰু অদৃশ্য বস্তু আছে, সেই সকলোবোৰ তেওঁতেই সৃষ্ট হ'ল। সিংহাসন হওক বা প্ৰভুত্ব হওক, আধিপত্য হওক বা ক্ষমতা হওক, এই সকলোবোৰ তেওঁৰ দ্বাৰাই আৰু তেওঁৰ কাৰণে সৃষ্টি কৰা হ'ল। 17তেওঁ সকলোৰে পূৰ্বৰ পৰা আছে আৰু সকলোবোৰ তেওঁৰেই নিয়ন্ত্ৰণত আছে।

18তেৱেঁই হৈছে, তেওঁৰ শৰীৰ স্বৰূপ মণ্ডলীৰ মূৰ। তেৱেঁই আদি আৰু মৃত লোকৰ মাজৰ পৰা প্ৰথমজাত[4] , এই কাৰণে সকলো বিষয়তে তেওঁ অগ্ৰগণ্য হ'ল। 19সেই কাৰণে ঈশ্বৰে আনন্দেৰে সিদ্ধান্ত ল'লে যে, তেওঁত সকলো সম্পূৰ্ণতা[5] বাস কৰা উচিত; 20আৰু তেওঁৰ দ্বাৰাই সকলোবোৰ তেওঁৰে সৈতে মিলন সাধন কৰিবলৈ। এই জগতত থকা হওক বা স্বৰ্গত থকা হওক, তেওঁৰ ক্ৰুচৰ পুত্ৰৰ তেজৰ দ্বাৰাই শান্তি স্থাপন কৰিবলৈ ঈশ্বৰে সকলোতে ভাল দেখিলে।

21আপোনালোকেও পূৰ্বতে ঈশ্বৰৰ পৰা অসম্পৰ্কীয় আৰু দুষ্কৰ্ম্মত থাকি মনেৰে শত্ৰু হোৱা লোক আছিলা। 22তথাপি ঈশ্বৰে তেওঁৰ দৃষ্টিত আপোনালোকক পবিত্ৰ, নিষ্কলঙ্ক আৰু নিৰ্দোষীৰূপে উপস্থিত কৰিবৰ বাবে খ্ৰীষ্টৰ মাংসময় শৰীৰত মৃত্যুৰ দ্বাৰাই এতিয়া পুনৰ মিলন সাধন কৰিলে। 23আপোনালোকে যি শুভবাৰ্তা শুনিছে, তাতে যদি বিশ্বাস কৰি স্থিৰে থাকে আৰু শুভবাৰ্তাৰ পৰা উৎপন্ন হোৱা যি আশা আপোনালোকে পালে, সেই আশাৰ মূলৰ পৰা যদি আতৰি নাযায়, তেনেহলে খ্ৰীষ্টে সকলোবোৰ সম্পন্ন কৰিব আৰু স্বৰ্গৰ তলত থকা সকলো সৃষ্টিৰ মাজত সেই একে শুভবাৰ্তা প্ৰচাৰিত হৈ আছে; মই পৌল, এই শুভবাৰ্তাৰ এজন দাস।

24এতিয়া আপোনালোকৰ কাৰণে মোৰ যি দুখভোগ, তাতেই মই আনন্দ কৰিছোঁ, আৰু খ্ৰীষ্টৰ নানা ক্লেশৰ[6] যি অৱশিষ্টখিনি অপূৰ্ণ হৈ আছে, সেই খিনি মই তেওঁৰ শৰীৰ স্বৰূপ মণ্ডলীৰ কাৰণে মোৰ মাংসত পূৰ্ণ কৰিছোঁ। 25সেই বাক্য সম্পূৰ্ণকৈ প্ৰচাৰ কৰিবলৈ, আপোনালোকৰ কাৰণে ঈশ্বৰে মোক দিয়া ঘৰগিৰীবাব অনুসাৰে মই সেই মণ্ডলীৰ পৰিচাৰক হৈ আছোঁ। 26সেই নিগূঢ়-তত্ত্ব যুগে যুগে আৰু পুৰুষে পুৰুষে গুপ্ত আছিল, কিন্তু এতিয়া তেওঁৰ পবিত্ৰ লোকৰ আগত প্ৰকাশিত হৈছে; 27ঈশ্বৰে তেওঁৰ মূল্যবান মহিমাময় নিগূঢ় তত্ত অনা-ইহুদী সকলৰ ওচৰত প্ৰকাশ কৰিবলৈ মনস্থ কৰিলে, সেই নিগূঢ় তত্ব সকলো লোকৰ কাৰণে; আৰু সেই নিগূঢ় তত্ব হ'ল স্বয়ং খ্ৰীষ্ট, যি জন আপোনালোকৰ মাজত আছে। তেৱেঁই আমাৰ গৌৰৱৰ আশা।

28সেই জন তেৱেঁই, যি জনৰ বিষয়ে আমি প্ৰচাৰ কৰি আছোঁ। আমি প্ৰত্যেক জনকে সতৰ্ক কৰোঁ আৰু সকলো প্ৰজ্ঞাৰে প্ৰতিজনক শিক্ষা দি খ্ৰীষ্টক প্ৰচাৰ কৰোঁ যাতে খ্ৰীষ্টে সকলোকে ঈশ্বৰৰ ওচৰত সিদ্ধ লোক ৰূপে উপস্থিত কৰিব পাৰে। 29তেওঁৰ কাৰ্যসাধক শক্তিয়ে মোৰ জীৱনত পৰাক্ৰমেৰে কাৰ্য সাধন কৰি আছে[7] , সেই শক্তি অনুসাৰে তেওঁৰ কাৰণে প্ৰাণপণ কৰি মই পৰিশ্ৰমো কৰি আছোঁ।

---

1:10 [1]
1:12 [2]
1:15 [3]
1:18 [4]
1:19 [5]
1:24 [6]
1:29 [7]

## ১ অধ্যায় 2

1আপোনালোকৰ কাৰণে মই কিমান কঠোৰ প্ৰতিকুল অৱস্থাৰ মূখা-মূখি হৈছো, সেই বিষয়ে আপোনালোকে জনাটো মই বিচাৰো। যি সকল লায়দিকেয়াত আছে, আৰু যিমান মানুহে মোৰ মাংসময় মুখ দেখা নাই, সেই সকলৰ বাবেও মোৰ যুজ হৈ আছে। 2মই বিচাৰো তেখেত সকলৰ হৃদয়ে যেন আশ্বাস পায় আৰু তেখেত সকলে প্ৰেমত সংযুক্ত হৈ সম্পূৰ্ণ নিশ্চয়তাযুক্ত বুদ্ধিৰূপ সকলো ধনত ধনী হ'বৰ বাবে যেন ঈশ্বৰৰ নিগূঢ়-তত্ব সঁচাকৈ জানে; সেই নিগূঢ় তত্বই হ'ল, খ্ৰীষ্ট। 3সেই খ্ৰীষ্টতেই জ্ঞান আৰু বিদ্যাৰ সকলো ধন গুপ্ত আছে।

4কোনেও যেন আপোনালোকক প্ৰলোভন-বাক্যেৰে নুভুলায়, এই কাৰণে মই এইবোৰ কথা কৈছোঁ। 5সেয়েহে মই শাৰীৰিক ভাবে উপস্থিত নাথাকিলেও, আত্মাৰে আপোনালোকৰ লগত আছোঁ; আৰু আনন্দ কৰি আপোনালোকৰ সু-ৰীতি আৰু খ্ৰীষ্টত আপোনালোকৰ বিশ্বাসৰ যি অলৰতা, সেয়া চাই আছোঁ।

6এতেকে আপোনালোকে খ্ৰীষ্ট যীচুক যেনেকৈ প্ৰভুৰূপে গ্ৰহণ কৰিলে, তেনেকৈ তেওঁতেই জীৱন-যাপন কৰক।[1] 7তেওঁতেই দৃঢ় ৰূপে শিপা ধৰি, তেওঁত গঁথা হৈ, যেনেকৈ শিক্ষা পাইছিল, তেনেকৈ বিশ্বাসত স্থিৰ হৈ থাকক, আৰু ধন্যবাদত উপচি পৰক।

### বিশ্বাস আৰু সদাচৰণত থিৰে থাকিবলৈ উদগণি

8কোনোৱে যেন আপোনালোকক দৰ্শন-বিদ্যা আৰু প্ৰবঞ্চনাৰ দ্বাৰাই বন্দী কৰি নিনিয়ে, এই কাৰণে সাৱধান হ'ব; সেইবোৰ মানুহ পুৰুষে পুৰুষে চলাই অহা বিধান আৰু জগতৰ প্ৰাথমিক বিধিৰ অনুৰূপ, খ্ৰীষ্টৰ অনুৰূপ নহয়। 9কিয়নো তেওঁত শাৰীৰিক ভাবে ঈশ্বৰত্বৰ সকলো স্বভাৱ সম্পূৰ্ণ নিবাস কৰে।

10যি জন সকলো আধিপত্য আৰু ক্ষমতাৰ মূৰ, তেওঁতেই আপোনালোক সম্পূৰ্ণৰূপে পূৰ্ণ হৈ আছে। 11তেওঁতেই আপোনালোকো বিনাহাতে কৰা চুন্নতৰ যোগেদি চুন্নৎ কৰোৱা হ'ল, এয়া মাংসময় শৰীৰৰ পাপ স্বভাৱ কাটি পেলোৱাৰ দ্বাৰাই খ্ৰীষ্টত আপোনালোক চুন্নৎ হ'ল। 12বাপ্তিস্মত আপোনালোক তেওঁৰ সৈতে মৈদামত থোৱা হ'ল[2] আৰু যি জনে তেওঁক মৃত্যুৰ তুলিলে, সেই জনা ঈশ্বৰৰ কাৰ্য সাধন শক্তিত বিশ্বাস কৰাৰ দ্বাৰাই তেওঁৰ সৈতে তোলাও হ'ল।[3]

13আৰু আপোনালোকে যেতিয়া অপৰাধত আৰু মাংসৰ অচুন্নতত মৃত আছিল, তেতিয়া ঈশ্বৰে তেওঁৰ সৈতে আপোনালোকক জীয়ালে, আৰু বাস্তৱিক তেওঁ আমাৰ সকলো অপৰাধ ক্ষমা কৰিলে। 14আমাৰ বিৰুদ্ধে ধাৰৰ অভিযোগ থকা হাতে লিখা যি আজ্ঞাৰ প্ৰমাণ পত্ৰ খন আমাৰ বিপক্ষে আছিল, সেই খন তেওঁ মচি পেলালে[4] আৰু গজাল মাৰি ক্ৰুচত লগাই, সেই খন দূৰ কৰিলে। 15তেওঁ সকলো আধিপত্য আৰু শাসনকৰ্তাবোৰক অপসাৰিত কৰিলে, আৰু তেওঁলোকক মুকলিভাবে প্ৰকাশিত কৰিলে আৰু তেওঁৰ ক্ৰুচৰ যোগেদি এটা বিজয়ৰ শোভাযাত্ৰাত তেওঁলোকক চালিত কৰিলে।

16এতেকে কোনেও আপোনালোকক ভোজনত বা পান কৰাত বা উৎসৱত বা ন জোনত বা বিশ্ৰামবাৰৰ কথাত, বিচাৰ নকৰক। 17এই সকলো ভাবী বিষয়ৰ ছাঁ মাথোন; কিন্তু প্ৰকৃত সত্য হৈছে খ্ৰীষ্ট।

18কোনো এজনকে প্ৰতাৰণাপূৰ্ণ নম্ৰতাৰ দ্বাৰা আৰু স্বৰ্গৰ দূত সকলক কৰা সেৱা-কাৰ্য্যৰ দ্বাৰা নিজকে বঁটাৰ পৰা অপহৃত হ'বলৈ নিদিব। এনে লোক সকলে নানা দৰ্শনৰ কথাত প্ৰভাবিত কৰি নিজৰ মাংসময় মনৰ গৰ্বত বৃথা গৰ্বিত হয়। 19কিন্তু সংস্পৰ্শ আৰু বন্ধনবোৰৰ দ্বাৰাই প্ৰতিপালিত আৰু দৃঢ়ৰূপে সংযুক্ত হোৱা গোটেই শৰীৰ যি জনৰ পৰা ঐশ্বৰিক ৰূপত বৃদ্ধি পাই বাঢ়ি আছে, সেই মূৰ স্বৰূপ খ্ৰীষ্টক অৱলম্বন নকৰে।

20যদি আপোনালোকে জগতৰ পাপপূৰ্ণ বিধিবোৰৰ বিশ্বাসত খ্ৰীষ্টৰ সৈতে একেলগে মৰিল, তেনেহলে কিয় জগতৰ বিশ্বাসত জীৱন-যাপন কৰি বশীভূত হৈ আছে: 21"সেইবোৰক নধৰিব, নাচাকিব, নুচুবও?" 22উল্লেখ কৰা এই সকলো বিষয় ব্যৱহাৰ কৰাৰ পাছত সকলো বিনষ্ট হ'ল; কিয়নো এই সকলোবোৰ মানুহৰ আজ্ঞা আৰু শিক্ষা অনুসাৰে আহিল। 23এইবোৰ বিধান মানুহে বনোৱা ধৰ্মৰ জ্ঞান, আৰু নিজ ইচ্ছাৰ আৰাধনা, প্ৰতাৰণাপূৰ্ণ নম্ৰতা আৰু শাৰীৰিক দুখ দিয়া, কিন্তু এইবোৰ মাংসৰ অভিলাষ দমন কৰিবলৈ সাৰ্থক নহয়।

---

2:6 [1]
2:12 [2]
2:12 [3]
2:14 [4]

## ২ অধ্যায় 3

1এতেকে আপুনি যদি খ্ৰীষ্টৰ সৈতে তোলা হ'ল; তেনেহলে য'ত ঈশ্বৰৰ সোঁ হাতে খ্ৰীষ্ট বহি আছে, সেই ঠাইৰ বিষয়ে অনুসন্ধান কৰক। 2ওপৰৰ বিষয়বোৰ ভাবক, কিন্তু পৃথিৱীত যি আছে সেই বিষয়ে নাভাবিব; 3কিয়নো আপোনালোকৰ মৃত্যু হ'ল আৰু ঈশ্বৰে আপোনালোকৰ জীৱন খ্ৰীষ্টৰ সৈতে গুপ্ত ৰাখিছে। 4আমাৰ জীৱন স্বৰূপ[1] খ্ৰীষ্ট যেতিয়া প্ৰকাশিত হ'ব, তেতিয়া তেওঁৰ সৈতে আপোনালোকো প্ৰতাপত প্ৰকাশিত হ'ব।[2]

5এতেকে আপোনালোকে জাগতিক সকলো বিষয়কে মাৰি পেলাওঁক[3] ; ব্যভিচাৰ, অশুচিতা, কামাভিলাষ, কু-অভিলাষ আৰু লোভৰ দৰে মূৰ্তিপূজা, 6এইবোৰৰ কাৰণে ঈশ্বৰৰ ক্ৰোধ অবাধ্যতাৰ সন্তান সকলৰ ওপৰলৈ আহে। 7পূৰ্বতে আপোনালোকে যেতিয়া এইবোৰত জীৱন-যাপন কৰি আছিল, তেতিয়া আপোনালোকেও এইবোৰত চলিছিল। 8কিন্তু এতিয়া ক্ৰোধ, খং, কু-অভিলাষ, নিন্দা আৰু মুখৰ পৰা ওলোৱা অবচনীয় বচন, এইবোৰ দূৰ কৰক।

9ইজনে সিজনক মিছা কথা নক'ব, কিয়নো আপোনালোকে তাৰ কৰ্মৰ সৈতে আগৰ পুৰুষক ফটা বস্ত্ৰ দৰে সোলোকাই পেলালে; 10আৰু নতুন স্বভাৱক পিন্ধিলে; এনেদৰে সৃষ্টিকৰ্তাৰ প্ৰতিমূৰ্তিৰ দৰে তত্ত্ব জ্ঞানত পুনৰ নতুন কৰোৱা হ'ল। 11এই জ্ঞানত কোনো গ্ৰীক বা ইহুদী, চুন্নৎ বা অচুন্নৎ, অসভ্য লোক, স্কুথীয়া[4] , দাস, স্বাধীন, এনে কোনো থাকিব নোৱাৰে; কিন্তু খ্ৰীষ্টই সকলো বিষয় আৰু সকলোতে থাকে।

12এতেকে ঈশ্বৰৰ মনোনীত জন, প্ৰিয় আৰু পবিত্ৰ লোক সকলৰ যি উপযুক্ত, সেই মতে দয়া, স্নেহ, মধুৰ ভাব, নম্ৰতা, মৃদুতা আৰু চিৰসহিষ্ণুতা, এই সকলোকে পিন্ধক; 13আপোনালোক পৰস্পৰ সহনীয় হওক; ইজনে সিজনৰ প্ৰতি দয়ালু হওক; আৰু যদি কাৰোবাৰ বিৰুদ্ধে কাৰোবাৰ দোষ দিয়াৰ কাৰণ থাকে, তেনেহলে পৰস্পৰে ক্ষমা কৰক; কিয়নো প্ৰভুৱে যেনেকৈ আপোনালোকক ক্ষমা কৰিলে, আপোনালোকেও তেনেকৈ ক্ষমা কৰক। 14এই সকলোৰে ওপৰত প্ৰেমত থাকক; ই সৰ্ব্বসিদ্ধিৰ বান্ধনি।

15এতিয়া আপোনালোকৰ সকলোৰে হৃদয়ত খ্ৰীষ্টৰ শান্তিয়ে কৰ্তৃত্ব কৰক; আপোনালোক তাৰ কাৰণেই এক শৰীৰত আমন্ত্ৰিত হ’ল; আৰু কৃতজ্ঞ হওক। 16খ্ৰীষ্টৰ বাক্যই আপোনালোকৰ সৈতে বাহুল্যৰূপে বাস কৰক। লগতে পৰস্পৰে সকলো জ্ঞানেৰে শিক্ষা আৰু চেতনা দি, ধৰ্মগীত, স্তুতি-গীত আৰু আত্মিক গানেৰে ঈশ্বৰলৈ হৃদয়েৰে ধন্যবাদ সহিত কৃতজ্ঞ হওক। 17আৰু আপোনালোকে যি কৰিব পাৰে, সেইবোৰ বাক্যতে হওক বা কাৰ্যতে হওক,[5] সকলোকে প্ৰভু যীচুৰ নামত কৰক; আৰু তেওঁৰ দ্বাৰাই পিতৃ ঈশ্বৰৰ ধন্যবাদ কৰক।

18হে ভাৰ্যা সকল, আপোনালোক নিজ নিজ স্বামীৰ বশীভূত হওক[6] , কিয়নো এয়ে প্ৰভুৰ মতে উচিত। 19হে পুৰুষ সকল, আপোনালোকে নিজ নিজ ভাৰ্যাক প্ৰেম কৰক আৰু তেওঁলোকলৈ তিতা ব্যৱহাৰ নকৰিব। 20হে সন্তান সকল, আপোনালোকে সকলো বিষয়তে পিতৃ-মাতৃৰ আজ্ঞাধীন হওক;[7] কিয়নো প্ৰভুত সেয়ে সন্তোষজনক। 21হে পিতৃ সকল, আপোনালোকে নিজ নিজ সন্তান সকলক প্ৰৰোচিত কৰি নাথাকিব, তাতে তেওঁলোক যেন নিৰাশ নহয়।

22হে দাস সকল, আপোনালোকে সকলো বিষয়তে মাংস-সম্বন্ধীয় নিজ নিজ প্ৰভু সকলৰ আজ্ঞাধীন হওক। আপোনালোক চকুৰ সন্মুখত, মানুহৰ সন্তোষজনক নহৈ কিন্তু আন্তৰিকতাৰে প্ৰভুলৈ ভয় ৰাখি, তেওঁলোকৰ সেৱা কৰক। 23আপোনালোকে যি কৰে, সেইবোৰ মানুহৰ উদ্দেশ্যে নহয়, কিন্তু প্ৰভুৰ উদ্দেশ্যেৰে মনে চিত্তে সৈতে কৰক; 24আপোনালোকে প্ৰভুৰ পৰা উত্তৰাধিকাৰ স্বৰূপ প্ৰতিদান পাব বুলি আপোনালোকে জানে। আপোনালোকে প্ৰভু খ্ৰীষ্টৰ কাৰণে সেৱাকৰ্ম কৰক।[8] 25কিয়নো যি জনে অন্যায় কৰে, তেওঁ নিজে কৰা অন্যায়ৰ প্ৰতিফল পাব আৰু তাত পক্ষপাতীত্ব নাই।

---

3:4 [1]
3:4 [2]
3:5 [3]
3:11 [4]
3:17 [5]
3:18 [6]
3:20 [7]
3:24 [8]

## ৩ অধ্যায় 4

1হে প্ৰভু সকল, আপোনালোকে নিজ দাস সকলৰ প্ৰতি যি ন্যায় আৰু সাম্য, সেয়া তেওঁলোকক দিয়ক[1] আৰু জানক যে স্বৰ্গত আপোনালোকৰো এজন প্ৰভু আছে।

2আপোনালোকে প্ৰাৰ্থনাত লাগি থাকক আৰু ধন্যবাদেৰে সচেতন থাকিব[2] । 3আমাৰ কাৰণেও প্ৰাৰ্থনা কৰিব, যাতে খ্ৰীষ্টৰ যি নিগূঢ়-তত্বৰ[3] কাৰণে আমি বন্ধ হৈ আছোঁ; সেই নিগূঢ়-তত্ব ক’বলৈ ঈশ্বৰে যেন আমাৰ বাবে বাক্যৰ দুৱাৰ মেলি দিয়ে। 4আৰু প্ৰাৰ্থনা কৰক যাতে, মই যি দৰে কোৱা উচিত, সেইদৰে যেন স্পষ্টকৈ প্ৰকাশ কৰিব পাৰোঁ।

5বাহিৰা লোকৰ প্ৰতি জ্ঞানেৰে আচৰণ কৰিব আৰু সময়ক জ্ঞানেৰে ব্যৱহাৰ কৰিব। 6আপোনালোকৰ বাৰ্তালাপ যেন সদায় অনুগ্ৰহযুক্ত হৈ থাকক আৰু আস্বাদযুক্ত লোণৰদৰে, কোন জনক কেনেকৈ উত্তৰ দিব লাগে, সেই বিষয়ে যেন আপোনালোকে জানি লওঁক।

### শেষ কথা

7তুখিকে আপোনালোকক মোৰ বিষয়ে সকলো কথা জনাব। তেওঁ এজন প্ৰিয় ভাই, বিশ্বাসযোগ্য পৰিচাৰক আৰু প্ৰভুত এজন সহদাস। 8মই তেওঁক নিৰ্দিষ্ট কৰি আপোনালোকৰ তালৈ পঠিয়ালোঁ, যাতে আপোনালোকে আমাৰ বিষয়ে জানিব পাৰে আৰু তেওঁ যেন আপোনালোকৰ হৃদয়ত আশ্বাস দিয়ে। 9আৰু তেওঁৰ লগত ওনীচিমক[4] পঠিয়ালো, তেওঁ আপোনালোকৰ বিশ্বাসযোগ্য আৰু প্ৰিয় ভাই; তেওঁলোকে ইয়াৰ সকলো কথা আপোনালোকক জনাব।

10মোৰ লগৰ বন্দিয়াৰ আৰিষ্টাৰ্খ, আৰু বাৰ্ণব্বাৰ কুটুম্ব মাৰ্ক[5] , (তেওঁৰ বিষয়ে আপোনালোকে যদি এইদৰে লিখা আদেশ পত্ৰ পায়, তেনেহলে
গ্ৰহন কৰিব, “যদি তেওঁ আপোনালোকৰ তালৈ যায়, গ্ৰহন কৰিব”); 11আৰু যীচু, যাক যুষ্ট বোলে, এওঁলোকে আপোনালোকক মঙ্গলবাদ
কৰিছে; এওঁলোক চুন্নৎ হোৱা লোক আৰু কেৱল এওঁলোকেই ঈশ্বৰৰ ৰাজ্যৰ কাৰণে মোৰ সহকাৰী; এওঁলোক মোৰ বাবে সান্ত্বনা।

12ইপাফ্ৰাই আপোনালোকক মঙ্গলবাদ জনাইছে৷ তেওঁ আপোনালোকৰ মাজৰ এজন আৰু খ্ৰীষ্ট যীচুৰ দাস৷ তেওঁ সদায় প্ৰাৰ্থনাৰে
আপোনালোকৰ পক্ষে প্ৰাণপণ কৰিছে, যাতে আপোনালোকে ঈশ্বৰৰ সকলো ইচ্ছাত সিদ্ধ আৰু নিশ্চয়কৈ স্থিৰে থাকে৷ 13কিয়নো মই তেওঁৰ
সাক্ষ্য দিছোঁ যে, তেওঁ আপোনালোকৰ আৰু লায়দিকেয়া আৰু হিয়ৰাপলিত থকা সকলৰ কাৰণে বৰ পৰিশ্ৰম কৰিছে। 14লূক[6] নামৰ প্ৰিয়
চিকিৎসক আৰু দীমায়ো আপোনালোকক মঙ্গলবাদ কৰিছে।

15লায়দিকেয়াত থকা ভাই সকলক, নুম্ফাক আৰু তেওঁলোকৰ ঘৰত গোট খোৱা মণ্ডলীক মঙ্গলবাদ দিব। 16আপোনালোকৰ তাত এই পত্ৰ পাঠ
কৰা হ’লে, লায়দিকেয়াত থকা মণ্ডলীতো যেন পাঠ কৰা হয়, এনে চেষ্টা কৰিব; আৰু লায়দিকেয়াৰ পৰা যি পত্ৰ পাব, সেই পত্ৰ
আপোনালোকেও পাঠ কৰিব। 17আৰ্খিপ্পক এই কথা ক’ব, “আপুনি প্ৰভুত যি পৰিচৰ্যা পদ পালে, সেয়া সিদ্ধ কৰিবৰ কাৰণে তালৈ সাৱধান
হ’ব।”

18মোৰ এই মঙ্গলবাদ, মই পৌলে, নিজ হাতেৰে লিখিলোঁ। আপোনালোকে মোৰ শিকলিৰ বন্ধন সুঁৱৰিব। আপোনালোকৰ লগত অনুগ্ৰহ থাকক।

---

4:1 [1]
4:2 [2]
4:3 [3]
4:9 [4]
4:10 [5]
4:14 [6]

# অবদানকাৰী

## Assamese Unlocked Literal Bible অবদানকাৰী

Ajit Kumar Singha
Antoney Raj
Basanta Kumar Sarma
Cdr. Thomas Mathew
Dr. Bobby Chellappan
Hinal Prakash
Jobby Prasannan
Jumi Devi
Kanika Dhar
Kavita Bora
Merlyn Easa
Numali Tara
Rev. Tarun Singha
Rinu John
Sangeet Momin
Shojo John
Door43 World Missions Community

## Tischendorf Greek New Testament 8th edition অবদানকাৰী

eBible.org
Clint Yale
Dr. Maurice A. Robinson
Ulrik Sandborg-Petersen
Door43 World Missions Community